UG AS S6 13

(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি বি চি এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

অসমীয়া উপন্যাস

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপক (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° অনুৰাধা শর্মা, অধ্যাপক, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী :

ড° সঞ্জীৱ ৰৱা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	লেখক
১, ৮, ৯, ১১, ১২, ১৩ আৰু ১৫	ড° জোনমণি গগৈ, কৃষ্ণ ৰৱা বি এড কলেজ, লংকা
	ড° মৃণাল জ্যোতি গোস্বামী
২, ৩	ড° মিলন নেওগ, এ. ডি. পি. মহাবিদ্যালয়, নগাঁও
	ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪, ৬ আৰু ৭	ড° মিলন নেওগ, এ. ডি. পি. মহাবিদ্যালয়, নগাঁও
৫	ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০	ড° সঞ্জীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	বিভা হাজৰিকা, তেলাহী তুৰাৰাম নাথ মহাবিদ্যালয়, উত্তৰ লখিমপুৰ
	ড° মঞ্জু গোস্বামী, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
১৪	ড° সঞ্জীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	ড॰ বিউতি গগৈ উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়
১৫	ড° সঞ্জীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	উৎপলা দাস গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনাঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়বস্তু আৰু ভাষা সম্পাদনা : **ড° মৃণাল জ্যোতি গোস্বামী, ড° সঞ্জীৱ ৰৱা,** সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনাঃ ড° সঞ্জীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN: 978-91-6587-XX-X

জুন, ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত

মুখ্য কার্যালয়ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী- ৭৮১ ০১৭

নগৰ চৌহদঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী ৭৮১ ০২২

বিষয়সূচী

অধ্যায় পৃষ্ঠা

অধ্যায় ১ : **অসমীয়া উপন্যাসৰ ধাৰা – ১** **৫-১৮**

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব, প্ৰাক-স্বাধীনতা কালৰ অসমীয়া উপন্যাস।

অধ্যায় ২ : **অসমীয়া উপন্যাসৰ ধাৰা – ২** **১৯-২৯**

স্বাধীনোত্তৰ কালৰ অসমীয়া উপন্যাস

অধ্যায় ৩ : **ৰজনীকান্ত বৰদলৈ – জীৱন আৰু কৃতি** **৩০-৪৪**

ৰজনীকান্ত বৰদলৈঃ জীৱন আৰু কৃতি, ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৪ : **মিৰি জীয়ৰী – ১** **৪৫-৫৫**

উপন্যাসখনৰ কাহিনীগাঁথা, উপন্যাসখনৰ সাধাৰণ আলোচনা

অধ্যায় ৫ : **মিৰি জীয়ৰী – ২** **৫৬-৬৫**

উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ।

অধ্যায় ৬ : **বিৰিঞ্চি কুমাৰ বৰুৱা – জীৱন আৰু কৃতি** **৬৬-৭১**

বিৰিঞ্চি কুমাৰ বৰুৱাঃ জীৱন আৰু কৃতি, বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৭ : **জীৱনৰ বাটত – ১** **৭২-৮০**

উপন্যাসখনৰ কাহিনীগাঁথা, উপন্যাসখনৰ সাধাৰণ আলোচনা

অধ্যায় ৮ : **জীৱনৰ বাটত – ২** **৮১-৮৭**

উপন্যাসখনত প্ৰতিফলিত হোৱা গাঁওলীয়া সমাজ জীৱনৰ চিত্ৰ, উপন্যাসখনত প্ৰতিফলিত হোৱা নগৰীয়া সমাজ জীৱনৰ চিত্ৰ

অধ্যায় ৯ : **নৱকান্ত বৰুৱা : জীৱন আৰু কৃতি** **৮৮-৯৫**

নৱকান্ত বৰুৱাঃ জীৱন আৰু কৃতি, নৱকান্ত বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ১০ : **ককা দেউতাৰ হাড় — ১** **৯৬-১০২**

উপন্যাসখনৰ কাহিনীগাঁথা, উপন্যাসখনৰ সাধাৰণ আলোচনা

অধ্যায় ১১ : **ককা দেউতাৰ হাড় — ২** **১০৩-১০৮**

উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ।

অধ্যায় ১২ : **নিৰুপমা বৰগোহাঞি : জীৱন আৰু কৃতি** **১০৯-১১৮**

নিৰুপমা বৰগোহাঞিঃ জীৱন আৰু কৃতি, নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ১৩ : **অভিযাত্রী — ১** **১১৯-১২৮**

উপন্যাসখনৰ কাহিনীগাঁথা, উপন্যাসখনৰ সাধাৰণ আলোচনা

অধ্যায় ১৪ : **অভিযাত্রী — ২** **১২৮-১৪০**

উপন্যাসখনৰ চৰিত্র চিত্রণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

পাঠ্যবিষয়ৰ পৰিচয় : অসমৰ ধৰ্মীয় পৰম্পৰা আৰু সাহিত্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বৰ্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবই আছে। এই স্নাতক পাঠ্যক্ৰমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্ৰদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগে। এই পাঠ্যবিষয়টি প্ৰধান অসমীয়া তথা বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় ষষ্ঠ ষাণ্মাসিকৰ ১৬ সংখ্যক পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম "অসমীয়া উপন্যাস"। পাঠ্যবিষয়টিৰ নামকৰণেই আপোনাক নিশ্চয় ধাৰণা প্ৰদান কৰিছে যে, পাঠ্যবিষয়টিত অসমীয়া উপন্যাস পৰিক্ৰমা, ঔপন্যাসিকৰ নিৰ্বাচিৰ উপন্যাসৰ আলোচনাৰ জৰিয়তে উপন্যাসৰ গতি-প্ৰকৃতিৰ চমু আভাস প্ৰদান কৰিবলৈ যত্ন কৰা হৈছে।

এই গোটেইকেইটা বিষয়বস্তু সৰ্বমুঠ ১৪টা অধ্যায়ত সজোৱা হৈছে। এই পাঠ্যবিষয়খনত অসমীয়া উপন্যাস সাহিত্যৰ বিকাশধাৰা, প্ৰধান ঔপন্যাসিকসকলৰ জীৱন আৰু সাহিত্যকৃতি, লগতে নিৰ্বাচিত কেইবাখন উল্লেখযোগ্য অসমীয়া উপন্যাসৰ বিষয়বস্তু, চৰিত্ৰ, সমাজচেতনা আৰু সাহিত্যিক মূল্য সম্পৰ্কে আলোচনা কৰা হৈছে। অসমীয়া উপন্যাস সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ ঐতিহাসিক পটভূমি বুজাবলৈ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত অসমীয়া উপন্যাসৰ ধাৰাৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম অধ্যায়ত অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব আৰু প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ বিকাশৰ বিষয়ে আলোকপাত কৰা হৈছে। দ্বিতীয় অধ্যায়ত স্বাধীনোত্তৰ কালৰ অসমীয়া উপন্যাসৰ ধাৰা, বিষয়বস্তুৰ পৰিৱৰ্তন, নতুন চিন্তাধাৰা আৰু সমাজ-বাস্তৱতাৰ প্ৰতিফলন সম্পৰ্কে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত অসমীয়া সাহিত্যৰ অন্যতম বিশিষ্ট ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু কৃতিৰ পৰিচয় দাঙি ধৰা হৈছে। লগতে তেওঁৰ উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্য, বিষয়বস্তু আৰু সাহিত্যিক অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত ৰজনীকান্ত বৰদলৈৰ বিখ্যাত উপন্যাস মিৰি জীয়ৰীৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। চতুৰ্থ অধ্যায়ত উপন্যাসখনৰ কাহিনীগাঁথা আৰু সাধাৰণ আলোচনা স্থান পাইছে। পঞ্চম অধ্যায়ত উপন্যাসখনৰ মুখ্য আৰু গৌণ চৰিত্ৰসমূহৰ বিশ্লেষণৰ লগতে ইয়াৰ সাহিত্যিক, সামাজিক আৰু নৃতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়ত বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰা হৈছে। ঔপন্যাসিক হিচাপে তেওঁৰ বিশেষত্ব আৰু অসমীয়া উপন্যাস সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বিষয়েও আলোচনা কৰা হৈছে। সপ্তম আৰু অষ্টম অধ্যায়ত বিৰিঞ্চি কুমাৰ বৰুৱাৰ উল্লেখযোগ্য উপন্যাস জীৱনৰ বাটত সম্পৰ্কে আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত উপন্যাসখনৰ কাহিনীগাঁথা আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট হৈছে। অষ্টম অধ্যায়ত উপন্যাসখনত প্ৰতিফলিত গাঁওলীয়া আৰু নগৰীয়া সমাজ জীৱনৰ চিত্ৰ, সামাজিক বৈষম্য, অৰ্থনৈতিক সংকট আৰু পৰিৱৰ্তনশীল সমাজ বাস্তৱতাৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়ত নৱকান্ত বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰা হৈছে। লগতে ঔপন্যাসিক হিচাপে তেওঁৰ স্থান আৰু উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কেও আলোকপাত কৰা হৈছে। দশম আৰু একাদশ অধ্যায়ত নৱকান্ত বৰুৱাৰ বিখ্যাত উপন্যাস ককা দেউতাৰ হাড়ৰ বিষয়ে আলোচনা কৰা হৈছে। দশম অধ্যায়ত উপন্যাসখনৰ কাহিনীগাঁথা আৰু সাধাৰণ আলোচনা অন্তর্ভুক্ত কৰা হৈছে। একাদশ অধ্যায়ত উপন্যাসখনৰ চৰিত্র চিত্রণ, বিষয়বস্তু, প্রতীকধর্মিতা, ব্যংগাত্মক দৃষ্টিভংগী আৰু সাহিত্যিক বৈশিষ্ট্যসমূহৰ বিশ্লেষণ কৰা হৈছে।

দ্বাদশ অধ্যায়ত অসমীয়া সাহিত্যৰ বিশিষ্ট ঔপন্যাসিকা নিৰুপমা বৰগোহাঞিৰ জীৱন, সাহিত্যকৃতি আৰু উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্য আলোচনা কৰা হৈছে। সমাজ সচেতন লেখিকা হিচাপে তেওঁ অসমীয়া উপন্যাস সাহিত্যলৈ আগবঢ়োৱা অৱদান আৰু নাৰীবাদী চেতনা সম্পৰ্কেও এই অধ্যায়ত আলোকপাত কৰা হৈছে। ত্রয়োদশ আৰু চতুর্দশ অধ্যায়ত নিৰুপমা বৰগোহাঞিৰ সাহিত্য অকাডেমি বঁটা প্রাপ্ত উপন্যাস অভিযাত্রীৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। ত্রয়োদশ অধ্যায়ত উপন্যাসখনৰ কাহিনীগাঁথা আৰু সাধাৰণ আলোচনা স্থান পাইছে। অসমৰ নাৰী-মুক্তি আন্দোলনৰ অগ্রদূত চন্দ্রপ্রভা শইকীয়ানীৰ জীৱনসংগ্রাম, সমাজসংস্কাৰমূলক কর্ম আৰু স্বাধীনতা আন্দোলনত তেওঁৰ অৱদানৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। চতুর্দশ অধ্যায়ত উপন্যাসখনৰ মুখ্য আৰু গৌণ চৰিত্রসমূহৰ বিশ্লেষণৰ লগতে জীৱনীমূলক উপন্যাস হিচাপে ইয়াৰ সফলতা, নাৰীবাদী চেতনা, ঐতিহাসিক মূল্য, বাস্তৱধর্মিতা আৰু সাহিত্যিক বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে আপুনি লক্ষ্য কৰিব যে প্রতিটো অধ্যায়ত বিষয়বস্তু সহজ আৰু সুশৃংখলভাৱে উপস্থাপন কৰা হৈছে। নতুন শব্দ, সাহিত্যিক পৰিভাষা আৰু গুৰুত্বপূর্ণ ধাৰণাসমূহৰ ব্যাখ্যা উপযুক্ত স্থানত সন্নিৱিষ্ট কৰা হৈছে। “অগ্রগতি নিৰীক্ষণ” শিতানত থকা প্রশ্নসমূহে আপোনাক আত্মমূল্যায়নৰ সুযোগ প্রদান কৰিব। “অধিক জানিবলৈ” শিতানত উল্লেখ কৰা গ্রন্থসমূহ বিষয়বস্তু অধিক গভীৰভাৱে অধ্যয়নত সহায়ক হ’ব। প্রতিটো অধ্যায়ৰ শেষত সন্নিৱিষ্ট “আৰ্হি প্রশ্ন”সমূহে পৰীক্ষামুখী প্রস্তুতিত সহায় কৰিব। এইদৰে সমগ্র পাঠ্যবিষয়খন অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাস, বিকাশ আৰু নির্বাচিত উপন্যাসসমূহৰ সাহিত্যিক মূল্য সম্পৰ্কে এক সম্যক ধাৰণা প্রদান কৰাৰ উদ্দেশ্যে প্রস্তুত কৰা হৈছে।